# প্ৰশস্তি

ৰঘুনাথ চৌধাৰী

উষাৰ কুঙ্কুম ৰাগে ৰঞ্জিলে বসুধা
দশোদিশ উদ্ভাসিত কৰি,
নৱ কিশলয়দলে চামৰ ধুলাই
প্ৰকৃতিক আনিলে সাদৰি।
কবি চিত্তহাৰী যত ফুল্ল কুসুমৰ
আনন্দত প্ৰাণ টল্‌মল্‌,
মন্দিৰৰ উপেক্ষিত ৰবাব ফুলেও
দিছে যাচি প্ৰেম-পৰিমল।
উঠে তৰু শিৰে শিৰে বন-বিহঙ্গৰ
ছন্দভৰা সুমধুৰ তান—
জল স্থল অন্তৰীক্ষ সকলোতে যেন
দেৱতাৰ মহা অভিযান।
কৰি দীৰ্ণ জৰাজীৰ্ণ পুঞ্জীভূত ক্লেদ
শেষ হ'ল মহা কালৰাত্ৰি,
উঠা হে ঋত্বিক ধ্যানী অমৃতৰ পুত্ৰ,
উঠা যত মুক্তি পথযাত্ৰী।
মোহন কীচক বেণু অনাহত ছন্দে
গায় মহামহিমৰ গান—
মোহ তন্দ্ৰালস তেজি উঠা ভক্তবৃন্দ
সুন্দৰৰ কৰা ৰূপধ্যান।

**কবি-পৰিচয় ঃ**

**ৰঘুনাথ চৌধাৰী (১৮৭৯—১৯৬৮) ঃ** বৰ্তমান নলবাৰী জিলাৰ মুকালমুৱাৰ ওচৰৰ লাউপাৰা গাঁৱত কবি চৌধাৰীৰ জন্ম। তেওঁৰ পিতৃৰ নাম ভোলানাথ চৌধাৰী। সৰুতেই ভৰিত দুখ পাই চিৰদিনৰ কাৰণে ভৰি ঘৃণীয়া হয়। ঘৰুৱা অসুবিধাৰ কাৰণে সম্পৰ্কীয় ককায়েক এজনে শিশু ৰঘুনাথ চৌধাৰীক গুৱাহাটীলৈ লৈ আহে। ইয়াত তেওঁক বিদ্যালয়ত নামভৰ্তি কৰি দিয়ে। অষ্টম শ্ৰেণীলৈকে পঢ়ি শিক্ষকৰ কঠোৰ শাসনৰ বাবে তেওঁ বিদ্যালয়লৈ যাবলৈ এৰি দিয়ে। ঘৰতে সংস্কৃত আৰু বাংলা কাব্য সাহিত্য অধ্যয়ন কৰিবলৈ লয়। পিছত কেইবছৰমান শিক্ষকতা কৰি এৰি পেলায়। শেষত খেতি-বাতি কৰিবলৈ লয় আৰু তাৰ লগে লগে সাহিত্য সেৱাও কৰি থাকে। তেওঁ গুৱাহাটীৰ পৰা প্ৰকাশিত 'জোনাকী' কাকতৰ সহকাৰী সম্পাদক আৰু 'মইনা', 'জয়ন্তী' আৰু 'সুৰভি' নামৰ আলোচনীৰো সম্পাদক আছিল।

চৌধাৰীয়ে 'জোনাকী' কাকতেৰে কবিতা লিখিবলৈ আৰম্ভ কৰে আৰু 'আলোচনী', 'বাঁহী' আদিতো বহুতো কবিতা প্ৰকাশ পায়। প্ৰথম স্তৰত লিখা কবিতাবোৰ 'সাদৰী' (১৯১০) পুথিত সন্নিবিষ্ট কৰা হৈছে। ইয়াৰ পিছত ক্ৰমে 'কেতেকী' (১৯১৮), 'কাৰবালা' (১৯২৩), 'দহিকতৰা' (১৯৩১), 'নৱমল্লিকা' (১৯৫৮) আৰু মৰণোত্তৰ কালত 'মনাই বৰাগী' (কবিতা) তথা 'পচতীয়া' নামে গল্পৰ পুথি প্ৰকাশ পায়। চৰাইক বিষয়বস্তু হিচাপে লৈ বহুতো কবিতা লিখিছিল বাবে তেওঁক 'বিহগী কবি' আখ্যা দিয়া হৈছে। তেওঁ ১৯৩৫ চনত তেজপুৰত অনুষ্ঠিত হোৱা 'অসম সাহিত্য সভা'ৰ অধিৱেশনৰ সভাপতি আছিল।

**পাঠবোধ ঃ**

প্ৰশস্তি কবিতাটোত কবিয়ে প্ৰকৃতিৰ সৌন্দৰ্যৰ বৰ্ণনাৰ মাজেৰে সুন্দৰৰ আৰাধনা কৰিছে। প্ৰশস্তিৰ অৰ্থ হৈছে আৰাধনা বা গুণানুকীৰ্তন কৰা। বেলিৰ পোহৰে পোহৰাই তোলা পৃথিৱীত গছ-বনে প্ৰকৃতিক ন সাজেৰে সজাই তুলিছে। চৌদিশে ফুলি থকা ফুলবোৰৰ প্ৰাণ আনন্দেৰে ভৰি পৰিছে। চৰাই-চিৰিকটিৰ গানে যেন সকলোতে দেৱতাৰহে সন্ধান কৰিছে। কবিয়ে অমৃতৰ সন্তান মানুহক কালৰাত্ৰিৰ শেষত মুক্তিৰ বাট বিচাৰিবলৈ আহ্বান জনাইছে। কীচক বেণুৱে বতাহত স্ৰষ্টাৰ গান গাইছে। কবিয়ে ভক্তবৃন্দক মোহ তন্দ্ৰা ত্যাগ কৰি সুন্দৰৰ ৰূপ ধ্যান কৰিবলৈ কৈছে। প্ৰকৃতিৰ সন্মোহিনী সুধাৰ মাজত কবিয়ে বাৰে বাৰে নেদেখা জনৰ অস্তিত্ব দেখিবলৈ পাইছে। প্ৰকৃতিৰ ৰূপ আৰাধনাৰ আঁৰত কবিতাটোত ঈশ্বৰ ভক্তিৰ স্বৰূপ সোমাই আছে। এক আধ্যাত্মিক সুৰে কবিতাটোক গভীৰ অনুভূতিৰ বাহক কৰি তুলিছে। সৃষ্টিকৰ্তাৰ সন্ধানে কবিতাটোক ৰহস্যবাদী ধাৰাৰ ওচৰ চপাই নিছে।

**শব্দাৰ্থ আৰু টোকা ঃ**

| | |
|---|---|
| অন্তৰীক্ষ | ঃ আকাশ; যাক পৃথিৱী আৰু সূৰ্যৰ মাজত দেখা যায়। |
| ঊষা | ঃ সূৰ্য। |
| ঋত্বিক | ঃ ঋতুযাজক, পুৰোহিত। |
| কালৰাত্রি | ঃ আন্ধাৰ ৰাতি। |
| কিশলয় | ঃ কুঁহিপাত, গজালি, কোঁহ। |
| কীচক বেণু | ঃ কীচক বাঁহ, সেই বাঁহৰ বাদ্যৰ শব্দ। |
| কুঙ্কুম | ঃ প্ৰসাধন সামগ্ৰী বিশেষ। |
| কুসুম | ঃ ফুল। |
| ক্লেদ | ঃ গেলা মলযুক্ত পানী। |
| চামৰ | ঃ চোঁৱৰ, চুঁৱৰী পহুৰ নেজৰ মুঠা। |
| চিত্তহাৰী | ঃ মন-প্ৰাণ হৰি নিয়া। |
| তন্দ্ৰালস | ঃ শ্ৰান্ত ক্লান্ত, টোপনি যোৱা অৱস্থা। |
| তেজি | ঃ ত্যাগ কৰি। |
| তান | ঃ সুৰ, ৰাগ। |
| দীৰ্ণ | ঃ ভাগি-ছিগি যোৱা, বিদাৰিত। |
| পৰিমল | ঃ সুগন্ধ। |
| পুঞ্জীভূত | ঃ সঞ্চিত। |
| ফুল্ল | ঃ ফুলি উঠা, পাহি মেলা ফুল। |
| বসুধা | ঃ পৃথিৱী; বসুমতী। |
| বিহঙ্গ | ঃ চৰাই; পক্ষী। |
| মহামহিম | ঃ অতিশয় গৌৰৱান্বিত, বৰ মান্য, খ্যাতিমন্ত। |
| ৰঞ্জিলে | ঃ ৰঙীণ কৰিলে, পোহৰ কৰিলে। |

## প্ৰশ্নাৱলী

**ভাব-বিষয়ক ঃ**

১। অতি চমু উত্তৰ দিয়া ঃ

(ক) ৰঘুনাথ চৌধাৰীক কি কবি বুলি জনা যায়?

(খ) ৰঘুনাথ চৌধাৰীৰ কবিতা-পুথি দুখনৰ নাম লিখা।

(গ) প্ৰকৃতিক কোনে সাদৰি আনিলে বুলি কবিয়ে কৈছে?

(ঘ) মন্দিৰৰ উপেক্ষিত কি ফুলে প্ৰেম পৰিমল যচা বুলি কবিয়ে কৈছে?

(ঙ) জল, স্থল আৰু ক'ত দেৱতাৰ মহা অভিযান চলিছে?

(চ) মহামহিমৰ গান কিহে গায় বুলি কবিয়ে কৈছে?

২। কবিতাটোত কবিয়ে প্ৰকৃতিৰ কি কি বস্তু টানি আনিছে লিখা।

৩। কবিতাটোত কবিয়ে কিয় আৰু কাৰ প্ৰশস্তি কৰিছে?

৪। কবিতাটোত প্ৰকৃতিৰ সুধাৰ মাজত কিদৰে সুন্দৰৰ সাধনা লুকাই আছে বিৱৰি লিখা।

৫। 'প্ৰশস্তি' কবিতাটোৰ মূলভাৱ লিখা।

৬। 'উঠা হে ঋত্বিক ধ্যানী অমৃতৰ পুত্ৰ,
উঠা যত মুক্তি পথযাত্ৰী।'
—কবিয়ে কিয় এনেদৰে আহ্বান জনাইছে বুজাই লিখা।

৭। সুন্দৰৰ ৰূপ ধ্যান কৰিবলৈ কবিয়ে ভক্তবৃন্দক কিয় আহ্বান জনাইছে বুজাই লিখা।

৮। ব্যাখ্যা কৰা ঃ

(ক) উঠে তৰু শিৰে শিৰে বন বিহঙ্গৰ
ছন্দভৰা সুমধুৰ তান,
জল স্থল অন্তৰীক্ষ সকলোতে যেন
দেৱতাৰ মহা অভিযান।

(খ) কৰি দীৰ্ণ জৰাজীৰ্ণ পুঞ্জীভূত ক্লেদ
শেষ হ'ল মহা কালৰাত্ৰি,
উঠা হে ঋত্বিক ধ্যানী অমৃতৰ পুত্ৰ
উঠা যত মুক্তি পথযাত্ৰী।

(গ) মোহন কীচক বেণু অনাহত ছন্দে
গায় মহামহিমৰ গান,
মোহ তন্দ্ৰালস তেজি উঠা ভক্তবৃন্দ!
সুন্দৰৰ কৰা ৰূপধ্যান।

**ভাষা-বিষয়ক ঃ**

১। অৰ্থ লিখা ঃ

কিশলয়, চিত্তহাৰী, অন্তৰীক্ষ, তন্দ্ৰালস।

২। বাক্য ৰচনা কৰা ঃ

দশোদিশ, উপেক্ষিত, জৰাজীৰ্ণ, অমৃত, মোহ।

৩। সমাৰ্থক শব্দ লিখা ঃ

তৰু, মুক্তি, সুমধুৰ, অভিযান, ধ্যানী।

● ● ●